# 2020

( Held in 2021 )

## ASSAMESE

Paper : DSC–1C

**( Study on Assamese Prose and Biography )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। কেৱল উত্তৰ দিয়া : ১×৬=৬

(ক) 'ৰামৰ বন গমন' পাঠটি 'ৰামায়ণ'ৰ কোনটো কাণ্ডৰ অন্তৰ্গত?

(খ) 'অৰুণোদই' বাৰ্তালোচনী কিমান চনত প্ৰকাশ হৈছিল?

(গ) কলিকতাৰ পৰা গুৱাহাটীলৈ জলপথেৰে কিমান মাইল?

(ঘ) আজান ফকিৰৰ আন এটা নাম কি?

(ঙ) বেণুধৰ শৰ্মাই কোন চনত 'মণিৰাম দেৱান' নামৰ জীৱনীগ্ৰন্থখন লিখিছিল?

(চ) খালী ঠাই পূৰ কৰা :

কুকুৰ চণ্ডাল গদৰ্ভৰো ______।<br>হেন জানি সবাহাঙ্ক কৰিবা প্ৰণাম।।

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) ''দুৰ্জ্জনৰ সঙ্গত সন্তৰো মঽতি নষ্ট হবে। অসন্তৰ মতি নষ্ট হৈব কি কহব''—ইয়াত কোনে, কাক মতিভ্ৰষ্ট কৰাৰ কথা কোৱা হৈছে?

(খ) গুৰু-চৰিত-কথাৰ প্ৰধান উদ্দেশ্য কি?

(গ) বড়োসকলৰ বিবাহ উৎসৱৰ এটি বৰ্ণনা দিয়া।

(ঘ) মণিৰাম দেৱানৰ স্বদেশপ্ৰেমৰ দুটা নিদৰ্শন দাঙি ধৰা।

(ঙ) দুখন অসমীয়া আত্মজীৱনীৰ নাম লিখা।

৩। উত্তৰ দিয়া (যি কোনো **ছয়টাৰ**) : ৫×৬=৩০

(ক) গুৰু-চৰিত-কথা আৰু বুৰঞ্জীৰ মাজত থকা পাৰ্থক্যসমূহ কি কি?

(খ) ''বোলে বাপ, গড় বান্ধি যুঁজাক একাক ক্ষেত্ৰীয় বোলে কোনে?'' কথাষাৰ কোনে, কাক, কি প্ৰসংগত কৈছিল বুলি 'গুৰু-চৰিত'ত পোৱা যায়, ব্যাখ্যা কৰা।

(গ) 'কলিকতাৰ পৰা গুৱাহাটীলৈ ভাপৰ নাও অহা জোআৰ কথা' পাঠটোৰ মূল কথাখিনি তোমাৰ ভাষাত লিখা।

(ঘ) জিকিৰ গীত আৰু জিকিৰ গীতসমূহৰ বিষয়ে চমুকৈ লিখা।

(ঙ) যি কোনো **এটাৰ** চমু টোকা লিখা :

*(i)* গাৰ্জা পূজা

*(ii)* বৈছাগু

(চ) ভক্তৰ প্ৰতি শংকৰদেৱৰ মনোভাব আৰু আচৰণ 'বৰদোৱা গুৰু-চৰিত'ত কেনেদৰে প্ৰকাশ পাইছে, লিখা।

(ছ) অসমত ভক্তি আন্দোলনৰ পটভূমি সম্পৰ্কে লিখা।

(জ) জীৱনী আৰু আত্মজীৱনীৰ মাজৰ পাৰ্থক্যসমূহ লিখা।

(ঝ) ৰাম বনলৈ যোৱাৰ সময়ত অযোধ্যাত কেনে শোকাকুল পৰিৱেশৰ সৃষ্টি হৈছিল, বৰ্ণনা কৰা।

৪। যি কোনো **দুটা** প্ৰশ্নৰ উত্তৰ দিয়া :

(ক) আত্মজীৱনীৰ এটা সংজ্ঞা আগবঢ়োৱা। 'উপলা নদীৰ দৰে' আত্মজীৱনীখনত মহেন্দ্ৰ বৰাৰ জীৱনৰ আগছোৱা কেনেদৰে চিত্ৰিত হৈছে, লিখা। ১০

(খ) 'কথাভাগৱত'ৰ ৰচক কোন? তেওঁ কাৰ আজ্ঞাত এই পুথিখনি ৰচনা কৰিছিল? লেখকৰ গদ্যৰূপৰ বৈশিষ্ট্য বিচাৰ কৰি এটি চমু আলোচনা যুগুত কৰা। ১+১+৮=১০

(গ) বড়ো সমাজৰ জন্ম-মৃত্যু-বিবাহ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা। ১০

৫। যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ দিয়া : ১৪

(ক) অসমীয়া সাহিত্যলৈ অৰুণোদই যুগৰ অৱদান সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(খ) 'সমাজ-সংস্কাৰক শংকৰদেৱ' মানুহজনৰ ভূমিকা আৰু সীমাবদ্ধতাক ড০ হীৰেণ গোহাঁই-এ কেনেদৰে আঙুলিয়াই দেখুৱাইছে, পাঠৰ আধাৰত বিশ্লেষণ কৰা।

★ ★ ★